Total No. of Printed Pages—5

**X/13/AS**

**2 0 1 3**

# ASSAMESE

( INDIAN LANGUAGE )

*Full Marks* : 100

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

**( গদ্য ভাগ )**

১। তলৰ প্ৰশ্নকেইটাৰ উত্তৰ **এটা** বাক্য বা শব্দৰে দিয়া : ১×৫=৫

(ক) শীলভদ্ৰ কোনখন বিশ্ববিদ্যালয়ৰ অধ্যক্ষ আছিল ?

(খ) অসমৰ পুৰণি সাহিত্যৰ দুবিধ সমলৰ নাম লিখা।

(গ) নাম প্ৰসংগৰ বাবে শংকৰদেৱে পোনতে ক'ত নামঘৰ সজোৱাইছিল ?

(ঘ) প্ৰাচীন ভাৰতত বিদ্যাশিক্ষাৰ বাবে কেইখন বিশ্ববিদ্যালয় আছিল ?

(ঙ) 'অসমৰ জনগোষ্ঠীৰ গাঁথনি আৰু সংস্কৃতি' প্ৰবন্ধটোৰ লেখক কোন ?

২। পাঠ্যপুথিত থকাৰ দৰে খালী ঠাই পূৰ কৰা : ১×৪=৪

(ক) —— অসমীয়াৰ এটি বিশিষ্ট জাতীয় অনুষ্ঠান।

(খ) থলুৱা জনজাতীয় সংস্কৃতিত —— বিশেষ স্থান লাভ কৰিছিল।

(গ) শংকৰদেৱৰ প্ৰচাৰিত ধৰ্মৰ সাৰভাগ হৈছে ——।

(ঘ) —— বিশ্ববিদ্যালয় অম্ৰাৱতী নগৰৰ ওচৰত আছিল।

৩। তলৰ যি কোনো **দুটা** বিষয়ৰ ওপৰত চমু টোকা লিখা : $২\frac{১}{২}×২=৫$

ভটিমা ; চাণক্য ; জন উইক্লিফ।

৪। তলত দিয়া যি কোনো **এটা** প্ৰশ্নৰ উত্তৰ লিখা : ৬

(ক) তোমাৰ পাঠৰ আধাৰত সমাজ সংগঠনৰ বাবে শংকৰদেৱে কি কি কাম কৰিছিল, বিৰৰি লিখা।

(খ) অসমৰ বৈচিত্ৰ্যপূৰ্ণ জনগোষ্ঠীৰ গাঁথনিত অসমীয়া সংস্কৃতিৰ বৈশিষ্ট্য কেনেদৰে ৰক্ষা পৰিছে, বহলাই লিখা।

(গ) প্ৰাচীন ভাৰতৰ বিশ্ববিদ্যালয়সমূহৰ চমু পৰিচয় দি ইয়াত কি কি বিষয়ৰ শিক্ষা দিয়া হৈছিল, বহলাই লিখা।

**( পদ্য ভাগ )**

৫। তলৰ প্ৰশ্নকেইটাৰ উত্তৰ **এটা** বাক্য বা শব্দেৰে দিয়া : ১×৫=৫

(ক) ‘‘কদম গছত পৰি
পঞ্চমত সুৰ ধৰি
কৰিছিলা ব্ৰজাংগনা প্ৰেম উন্মাদিনী।’’

ইয়াত ‘ব্ৰজাংগনা’ শব্দৰ অৰ্থ কি?

(খ) কবি হীৰেণ ভট্টাচাৰ্যই সম্পাদনা কৰা এখন কাকতৰ নাম লিখা।

(গ) তোহ্মাৰ লক্ষণ দেখি জগতে জানিল তুমি
যেন বৰ মানুষৰ ঝী।
এই কথাষাৰ কোনে, কাক কৈছে?

(ঘ) ‘মোৰ দেশ’ কবিতাটিৰ কবিজনৰ জন্ম চনটো লিখা।

(ঙ) বৰগীতসমূহৰ ৰচক দুজনৰ নাম লিখা।

৬। পাঠ্যপুথিত থকাৰ দৰে খালী ঠাই পূৰ কৰা (যি কোনো **চাৰিটা**) : ১×৪=৪

(ক) জগাই অতীত স্মৃতি
তোমাৰ শুৱলা গীতি,
—হৃদত হাঁহে আশা-কুমুদিনী।

(খ) কোন ছাৰ —— সে কড়া দুইৰ ধন
কলসি ভাঙ্গিলো দেখি ৰাগে।

(গ) মোৰ যৌৱনৰ কোঁহে কোঁহে সেই
সপোনৰ ——।

(ঘ) সহিয়া থাকিলে ভাল সকলে জগতে বোলে
উচিত বুলিতে লাগে ——।

(ঙ) এই দেশৰ প্ৰতিটো পুৱাই মোলৈ
লুকাই আনে —— বিপুল সম্ভাৰ।

৭। তলত দিয়া যি কোনো **এটা** কবিতাৰ মূল ভাৱ তোমাৰ ভাষাৰে অতি চমুকৈ লিখা : ৩

(ক) গোৱাহে এবাৰ মোৰ প্ৰিয় বিহংগিনী

(খ) মোৰ দেশ

৮। তলৰ যি কোনো **এটা** প্ৰশ্নৰ উত্তৰ লিখা : ৩

(ক) কবি হীৰেণ ভট্টাচাৰ্যৰ দেশপ্ৰেম 'মোৰ দেশ' কবিতাটিৰ মাজেৰে কেনেদৰে প্ৰকাশ পাইছে?

(খ) ''আলো মাই গালি তুমি নাপাৰিয়ো মোৰে।'' এই কথাষাৰ কোনে, কাক, কি প্ৰসংগত।'' কেনেভাৱে আক্ষেপ কৰি কৈছে, চমুকৈ বৰ্ণনা কৰা।

**( দ্ৰুত পাঠ্য )**

৯। তলত দিয়া যি কোনো **পাঁচটা** শব্দৰ অৰ্থ লিখা : ১×৫=৫

মাৰনাও ; লুংলুঙীয়া ; সম্ভাৰ ; গজালি ; সহপাঠী ; শয্যাশায়ী ; আচ্ছন্ন।

১০। চমু টোকা লিখা (যি কোনো **দুটা**) : ২×২=৪

উদয় ; সৰস্বতী পূজা ; লেখকৰ প্ৰথম ফটোখন ; পাংখাৱালা।

১১। তলৰ যি কোনো **এটা** প্ৰশ্নৰ উত্তৰ লিখা : ৬

(ক) লেখক ভবেন্দ্ৰনাথ শইকীয়াই ভাৰত স্বাধীন হোৱা দিনটো কেনেকৈ উপভোগ কৰিছিল, তোমাৰ ভাষাৰে বৰ্ণনা কৰা।

(খ) 'আতংকৰ শেষত' নামৰ কিতাপখনৰ সকলো দিশ সামৰি এখন ৰচনা লিখা।

**( ব্যাকৰণ ভাগ )**

১২। কাৰক কাক বোলে? কৰ্তা কাৰকৰ সূত্ৰ লিখি উদাহৰণ দিয়া। ২+২+১=৫

১৩। প্ৰত্যয় ভাঙি দেখুওৱা (যি কোনো **পাঁচটা**) : ১×৫=৫

কৃপালু ; মৰমিয়াল ; পাতলামি ; কামিলা ; খহনীয়া ; ঘৰচীয়া ; খন্তেকীয়া।

১৪। সন্ধি ভাঙা আৰু যোৱা লগোৱা (যি কোনো **পাঁচটা**) : ১×৫=৫

সিংহাসন ; পৰীক্ষা ; মহীন্দ্ৰ ; দেৱ + ঈশ্বৰ ; পিতৃ + আদেশ ; গো + অক্ষ।

১৫। তলৰ পদবোৰৰ সমাস কৰা আৰু সমাসৰ নাম লিখা (যি কোনো **পাঁচটা**) : ১×৫=৫

ত্ৰি জগতৰ সমাহাৰ ; জীৱন পৰ্যন্ত ; পীত অম্বৰ যাৰ ; বনৰ সমীপ ; সমান জাতি যাৰ ; ঘৰে ঘৰে ; শত অব্দৰ সমাহাৰ।

১৬। তলৰ খণ্ডবাক্যকেইটাৰ অৰ্থ প্ৰকাশ পোৱাকৈ বাক্য ৰচনা কৰা (যি কোনো **পাঁচটা**) : ১×৫=৫

আপুৰুগীয়া ; নলে-গলে লগা ; বিনামেঘে বজ্ৰপাত ; খাই পাত ফলা ; সাতামপুৰুষীয়া ; কাণবাগৰা।

১৭। তলৰ যি কোনো **এছোৱাৰ** ভাৱ-সম্প্ৰসাৰণ কৰা : ৪

(ক) আপদৰ মাত আকালৰ ভাত।

(খ) যি মূলা বাঢ়িব তাৰ দুপাততে চিন।

(গ) অভ্যাসৰ নৰ কৰ্ণপথে কৰে শৰ।

(ঘ) উলুৰ লগত বগৰী পোৰা।

১৮। তোমাৰ ভবিষ্যৎ জীৱনৰ পৰিকল্পনা বৰ্ণনা কৰি তোমাৰ বন্ধু/বান্ধৱীলৈ এখন চিঠি লিখা। ৬

১৯। এটা শব্দত প্ৰকাশ কৰা (যি কোনো **পাঁচটা**) : ১×৫=৫

(ক) লোকক দেখি পাছে পাছে যোৱা

(খ) যি সঁচা কথা কয়

(গ) একে সময়তে হোৱা

(ঘ) যাৰ পূৰ্বজন্মৰ কথা মনত আছে

(ঙ) যি মাটি ফুটি ওলায়

(চ) বৰষুণ নোহোৱা যি বতৰ

(ছ) আনৰ দোষ দেখা স্বভাৱ

২০। তলৰ যি কোনো **এটা** বিষয় বাচি লৈ এখন ৰচনা লিখা : ১০

(ক) মেঘালয়ৰ প্ৰাকৃতিক সৌন্দৰ্য

(খ) তুমি পঢ়া এখন অসমীয়া পুথি

(গ) বাতৰি কাকত

(ঘ) পৰিবেশ প্ৰদূষণ আৰু ইয়াৰ প্ৰতিকাৰ

★★★